**শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত প্ৰধানমন্ত্ৰী (এপ্ৰিল 05, 2025)**

এপ্ৰিল 05, 2025

আজি প্ৰধানমন্ত্ৰী কলম্বোস্থিত ৰাষ্ট্ৰপতি সচিবালয়ত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি মহামহিম অনুৰা কুমাৰ দিছানায়কৰ সৈতে এখনি ফলপ্ৰসূ বৈঠকত মিলিত হয়। আলোচনাৰ পূৰ্বে প্ৰধানমন্ত্ৰীক ইণ্ডিপেণ্ডেনচ স্কোৱেৰত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। 2024-ৰ ছেপ্টেম্বৰত ৰাষ্ট্ৰপতি দিছানায়কে কাৰ্য্যভাৰ গ্ৰহণৰ পিছত শ্ৰীলংকা ভ্ৰমণ কৰা প্ৰথমগৰাকী বিদেশী নেতা হিচাপে প্ৰধানমন্ত্ৰী পৰিগণিত হয়।

2. দুয়োগৰাকী নেতাই সহভাজিত ইতিহাসৰে বদ্ধমূল আৰু জনসাধাৰণৰ মাজৰ গভীৰ সংযোগৰ দ্বাৰা পৰিচালিত বিশেষ আৰু ঘনিষ্ঠ দ্বিপাক্ষিক সম্পৰ্কক অধিক গভীৰ কৰা সন্দৰ্ভত প্ৰতিনিধি পৰ্য্যায়ৰ আৰ্হিত বিশদ আলোচনা কৰে। তেওঁলোকে যোগাযোগ, উন্নয়ন সহযোগিতা, অৰ্থনৈতিক সম্পৰ্ক, প্ৰতিৰক্ষা সম্পৰ্ক আৰু মাছমৰীয়াসকলৰ ক্ষেত্ৰত সহযোগিতাৰ পৰ্য্যালোচনা কৰে। প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি আৰু MAHASAGAR দৃষ্টিত শ্ৰীলংকাৰ গুৰুত্বৰ কথা পুনৰবাৰ উল্লেখ কৰে। তেখেতে শ্ৰীলংকাৰ অৰ্থনৈতিক পুনৰুদ্ধাৰ আৰু সুস্থিৰতাত সহায়ৰ বাবে ভাৰতৰ অবিৰত অংগীকাৰৰ কথা কয়।

3. আলোচনাৰ অন্তত দুয়োগৰাকী নেতাই ভাৰ্চুৱেল মাধ্যমেৰে কেইবাটাও প্ৰকল্প উদ্বোধন কৰে। ইয়াৰ ভিতৰত আছে সমগ্ৰ শ্ৰীলংকাৰ ধৰ্মীয় স্থানত স্থাপন কৰা 5000 টা ছোলাৰ ৰুফটপ ইউনিট আৰু ডাম্বুল্লাত তাপমান-নিয়ন্ত্ৰিত গুদামৰ সুবিধা। 120 মেগাৱাট শক্তি সম্পন্ন সম্পুৰ সৌৰশক্তি প্ৰকল্পৰ আৰম্ভণিৰ ভূমি পূজন অনুষ্ঠানতো তেওঁলোকে ভাৰ্চুৱেল মাধ্যমেৰে অংশগ্ৰহণ কৰে।

4. দুয়োগৰাকী নেতাই পূব প্ৰভিন্সত শক্তি, ডিজিটাইজেচন, প্ৰতিৰক্ষা, স্বাস্থ্য আৰু বহু-খণ্ডীয় সাহায্যৰ ক্ষেত্ৰত সাত বুজাবুজিৰ চুক্তিৰ (MoU) আদান-প্ৰদান অনুষ্ঠানত ভাগ লয়। প্ৰধানমন্ত্ৰীয়ে ত্ৰিংকুমালীৰ তিৰুকনেশ্বৰম মন্দিৰ, অনুৰাধাপুৰাৰ পবিত্ৰ নগৰ প্ৰকল্প আৰু নুৱাৰা এলিয়াৰ সীতা এলিয়া মন্দিৰ কমপ্লেক্সৰ উন্নয়নৰ বাবে সমৰ্থন আগবঢ়োৱাৰ কথা ঘোষণা কৰে। সামৰ্থ্য বিকাশ আৰু অৰ্থনৈতিক সহায়ৰ ক্ষেত্ৰত বছৰি অতিৰিক্ত শ্ৰীলংকাৰ 700 নাগৰিকক প্ৰশিক্ষণ প্ৰদানৰ বাবে এক বিস্তৃত পেকেজ আৰু ঋণ পুনৰ্গঠনৰ অৰ্থে দ্বিপাক্ষিক সংশোধনী চুক্তি সমাপ্ত কৰাৰ কথাও ঘোষণা কৰা হয়। দুয়োখন দেশৰ সহভাজিত বৌদ্ধ ঐতিহ্যৰে সংগতি ৰাখি বুদ্ধ পূৰ্ণিমাত গুজৰাটৰ পৰা ভগৱান বুদ্ধৰ পবিত্ৰ অৱশেষ শ্ৰীলংকালৈ নিয়া হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰে। বুজাবুজিৰ চুক্তিপত্ৰ আৰু ঘোষণাসমূহৰ তালিকা ইয়াত চাব পাৰে।

কলম্বো

এপ্ৰিল 05, 2025